২

## দ্বিত্ব ব্যঞ্জন আৰু যুক্তাক্ষৰ ঃ (আখৰ-জোঁটনি)

দ্বিত্ব ব্যঞ্জন হ'ল একোটাহঁত সংযুক্ত বৰ্ণ। একেটা বৰ্ণ বা আখৰকে দুটা লগ লগাই অৰ্থাৎ সংযুক্ত কৰি লিখিলেসেই ৰূপটোক দ্বিত্ব ব্যঞ্জন বোলা হয়। যেনে— ক্ + ক = ক্ক, ব্ + ব = ব্ব ইত্যাদি। মহাপ্ৰাণ বৰ্ণবোৰ দ্বিত্ব হ'লে মহাপ্ৰাণ বৰ্ণটো তাৰ পিছৰ অল্পপ্ৰাণ বৰ্ণটোৰ লগত যুক্ত হয়। যেনে—ধ্ + ধ = দ্ধ। ধ-ৰ অল্পপ্ৰাণ বৰ্ণ দ। গতিকে দ্ধ ৰূপ ই লাভ কৰিছে। দ্বিত্বৰ ব্যৱহাৰ কিছুমান শব্দত অপৰিহাৰ্য। যেনে— মক্কা, সত্ত্বা, উজ্জ্বল, সন্ন্যাসী, উল্লাস ইত্যাদি।

আনহাতে অসমীয়া ভাষাৰ যুক্তাক্ষৰে কেতিয়াবা জটিল সমস্যাৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। বানান ভুল হোৱাৰ এটা কাৰণ যুক্তাক্ষৰ। ই বিভ্ৰান্তিৰো সৃষ্টি কৰে। যেনে— ত্ৰ = ত্ + ৰ, কিন্তু ক্ৰ = ত্ + ৰ্ + ন নহয়, ক + ৰ হে। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা যুক্তাক্ষৰসমূহ এনে—

| | |
|---|---|
| হ্ন = হ্ + ন, | ন্থ = ন্ + থ, |
| ঘ্ন = ঘ্ + ন, | হ্ণ = হ্ + ণ, |
| ষ্ণ = ষ + ণ, | স্ন = স্ + ন, |
| ঙ্ক = ঙ্ + ক, | ঙ্গ = ঙ্ + গ, |
| ক্ত = ক্ + ত, | ঞ্জ = ঞ্ + জ, |
| ঞ্চ = ঞ্ + চ, | ঞ্ছ = ঞ্ + ছ, |
| ত্থ = ত্ + থ, | ক্ষ্ণ = ক্ষ্ + ণ, |
| হৃ = হ্ + ঋ, | গ্ধ = গ + ধ, |
| ৰূ = ৰ্ + ঊ, | ৰু = ৰ্ + উ, |
| হূ = হ্ + ঊ, | ন্ধ = ন্ + ধ, |
| দ্ধ = দ্ + ধ, | ব্ধ = ব্ + ধ, |
| হ্ম = হ্ + ম, | ণ্ড = ণ্ + ড, |
| ত্ত = ত্ + ত, | ত্ৰু = ত্ + ৰ্ + উ ইত্যাদি। |

## ৰেফ্ আৰু ৰ-কাৰৰ ব্যৱহাৰ/ ৰেফযুক্ত দ্বিত্ব ঃ

ৰ-এটা তৰল বৰ্ণ। ৰ বৰ্ণটো অন্য বৰ্ণৰ আগত সংযুক্ত হ'লে তা… ৰেফ্ বোলে। যিটো বৰ্ণৰ লগত যুক্ত হয়, সেই বৰ্ণটোৰ ওপৰত এডাল হেলনী… মাত্ৰাৰে ৰেফ্ লিখা হয়। যেনে—ৰ্ + খ = ৰ্খ, ৰ্ + শ = ৰ্শ ইত্যাদি।

ৰ বৰ্ণটো অন্য বৰ্ণৰ পিছত যুক্ত হ'লে তাক ৰ-কাৰ বোলে। তেতিয়… ইয়াক সংযুক্ত বৰ্ণটোৰ তলত লিখা হয় আৰু ইয়াৰ ৰূপৰো পৰিবৰ্তন ঘটে… যেনে—ক্ + ৰ = ক্ৰ, প্ + ৰ = প্ৰ, শ্ + ৰ = শ্ৰ ইত্যাদি। ৰেফ্যুক্ত বৰ্ণৰে শব্দ… আৰম্ভ হ'ব নোৱাৰে। ৰ-কাৰ ব্যঞ্জন শব্দৰ আদ্য আৰু মধ্য উভয় স্থানতে থাকি… পাৰে।

ৰেফ্যুক্ত দ্বিত্বৰ ব্যৱহাৰ সম্প্ৰতি নোহোৱা হৈছে। তৎসম শব্দবোৰ… ৰেফ্যুক্ত দ্বিত্বৰ নিয়ম আছিল। কিন্তু ১৯৩৮ চনত অসমীয়া শব্দৰ বানা… নিৰূপণৰ অৰ্থে গঠন কৰা কমিটীখনে ৰেফ্যুক্ত বৰ্ণ দ্বিত্ব নকৰাৰ সিদ্ধান্ত গ্ৰহ… কৰিছিল। যেনে— কৰ্ম, আৰ্য, পৰ্বত ইত্যাদি। কিন্তু কাৰ্য্য শব্দত দ্বিত্ব থাকি… গ'ল। ৰেফ্ৰ পিছত লিখা দ্ধ পিছলৈ কেৱল ধ লিখা হ'ল। যেনে— অৰ্দ্ধ—অৰ্ধ, দুৰ্দ্ধৰ্ষ—দুৰ্ধৰ্ষ, ঊৰ্দ্ধ—ঊৰ্ধ্ব ইত্যাদি। ৰেফ্ৰ পিছত লিখা চ্ছ পিছলৈ কেৱ… ছ লিখা হয়। যেনে—মূৰ্চ্ছা—মূৰ্ছা, মূৰ্চ্ছনা—মূৰ্ছনা ইত্যাদি। একেদৰে, দুটা… ত-ৰ লগত ৰ-কাৰ থকা শব্দৰ এটা ত লোপ পালে। যেনে—পুত্ত্ৰ—পু… উত্ত্ৰাৱল—উত্ৰাৱল।